# প্ৰজ্ঞাৰ অনন্য সাধক
# মুনীন বৰকটকী

■ বিনয় মোহন শইকীয়া

(১)

মুনীন্দ্ৰনাথ বৰকটকী বা চমুকৈ মুনীন বৰকটকীৰ পিতৃৰ নাম দুৰ্গাধৰ বৰকটকী আৰু মাতৃৰ নাম কমলিনী দেৱী। দুৰ্গাধৰ বৰকটকী আছিল এগৰাকী প্ৰসিদ্ধ শিক্ষাবিদ আৰু শিক্ষাৰ প্ৰসাৰক। তেওঁ অসমৰ প্ৰথমজন ভাৰতীয় তথা অসমীয়া বিদ্যালয় পৰিদৰ্শক। ইয়াৰ আগতে এই পদত কেৱল ব্ৰিটিছ বিষয়াইহে দায়িত্ব পালন কৰিছিল। মুনীন বৰকটকীৰ মাতৃ কমলিনী দেৱী আছিল আনন্দৰাম ঢেকীয়াল ফুকনৰ নাতিনী আৰু পদ্মাৱতী দেৱীফুকননীৰ কন্যা। উল্লেখযোগ্য যে ঊনবিংশ শতিকাতে 'সুধৰ্মাৰ উপাখ্যান' ৰচনা কৰি পদ্মাৱতী দেৱীফুকননীয়ে অসমীয়া সাহিত্যত নিজৰ নাম যাউতিযুগীয়া কৰি থৈ গৈছে।

যোৰহাট নগৰৰ কাষৰীয়া বালিগাঁৱত বৰকটকী পৰিয়ালৰ পুৰণি বাসস্থান। দুৰ্গাধৰ বৰকটকীয়ে তেওঁলোকৰ বাসস্থান বালিগাঁৱৰপৰা যোৰহাট নগৰৰ তৰাজান অঞ্চললৈ সলনি কৰে। এই তৰাজনতে ১৯১৫ চনৰ কাতি বিহুৰ দিনা দুৰ্গাধৰ বৰকটকী আৰু কমলিনী দেৱীৰ কনিষ্ঠ সন্তান মুনীন্দ্ৰনাথ বৰকটকীৰ জন্ম হয়। মুনীন্দ্ৰৰ ওপৰৰ ককায়েক-বাইদেৱেক কেইগৰাকী হৈছে ক্ৰমে সত্যেন্দ্ৰনাথ, প্ৰেমলতা আৰু প্ৰীতিলতা। পিতৃ-মাতৃ উভয় পক্ষৰ পৰিয়ালৰ শৈক্ষিক তথা সাংস্কৃতিক পৰম্পৰাৰ উচিত হকদাৰ হিচাবে তেওঁলোকৰ আটাইকেইটা সন্তানেই সমাজত জাকত-জিলিকা হিচাবে পৰিগণিত হয়। উল্লেখযোগ্য যে তেওঁলোকৰ ডাঙৰ পুত্ৰ সত্যেন্দ্ৰনাথ বৰকটকীয়ে ১৯৩২ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা ইংৰাজী বিষয়ত প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান অধিকাৰ কৰি স্নাতকোত্তৰ ডিগ্ৰি লাভ কৰিছিল। তাৰ পাছৰ বছৰত তেওঁ ভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হৈ ভাৰত চৰকাৰৰ উচ্চপদস্থ বিষয়া হিচাবে কাৰ্য্যনিৰ্বাহ কৰিবলৈ লয়। চাকৰি জীৱনৰ পাছৰ ফালে আৰু অৱসৰৰ পাছত সত্যেন্দ্ৰনাথ বৰকটকীয়ে কুৰিখনৰো অধিক উচ্চস্তৰৰ অসমীয়া আৰু ইংৰাজী ভাষাৰ গ্ৰন্থ ৰচনা কৰি সুখ্যাতি অৰ্জন কৰি থৈ গৈছে।

যোৰহাট প্ৰেক্টিছিং স্কুলত মুনীন বৰকটকীৰ প্ৰাথমিক শিক্ষা আৰম্ভ হয়। কিন্তু তাত তেওঁ বেছিদিন শিক্ষাগ্ৰহণ কৰিবলৈ নাপালে। দেউতাক দুৰ্গাধৰ বৰকটকীয়ে চাকৰিৰপৰা অৱসৰ লৈ এটা বিশেষ কামত নিজকে জড়িত কৰাৰ কথা চিন্তা কৰে। সেয়া হৈছে, প্ৰকাশক, সম্পাদকৰূপে

অসমীয়া ভাষা-সাহিত্যৰ সেৱা কৰা। এই কাম কৰিবলৈ তেওঁ সহোদৰ ভাতৃ গংগাধৰ বৰকটকীৰপৰা অনুপ্ৰেৰণা লাভ কৰিছিল বুলি অনুমান কৰিব পাৰি। কাৰণ, গংগাধৰ বৰকটকীয়ে ১৮৯৮ চনতে বৰকটকী কোম্পানী আৰম্ভ কৰি পুথি ব্যৱসায়ৰ লগতে পাছলৈ গুণমালা, কাণখোৱা, ভীমচৰিত, কীৰ্তনঘোষা, দশম, বৰগীত, ৰত্নাৱলী, আদি পুথি সম্পাদনা কৰোৱাই প্ৰকাশ কৰিছিল। দুৰ্গাধৰ বৰকটকীয়েও অসমীয়া প্ৰাচীন সাহিত্য, বিশেষকৈ ৰাম সৰস্বতীৰ মহাভাৰত প্ৰকাশ কৰি উলিয়াবলৈ মনস্থ কৰে। তেনে বৃহৎ কৰ্ম সম্পাদনৰ বাবে তেতিয়া কলিকতাই আছিল উত্তম স্থান। সেই সময়তে তেওঁলোকৰ ডাঙৰ পুত্ৰ সত্যেন্দ্ৰনাথে কলিকতাৰ প্ৰেছিডেন্সি কলেজত পঢ়াৰ বাবেও সাজু হৈছিল। এই সকলো কথা চিন্তা কৰি দুৰ্গাধৰ বৰকটকীয়ে সপৰিয়ালে কলিকতালৈ যাত্ৰা কৰে। তেওঁলোকে তাত ঘৰ ভাড়া কৰি থাকিবলৈ লয় আৰু কনিষ্ঠ পুত্ৰ মুনীন্দ্ৰক 'এথেনিয়াম' নামৰ এখন স্কুলত নামভৰ্তি কৰি দিয়ে। স্কুলখনৰ শিক্ষাৰ মাধ্যম ইংৰাজী হ'লেও তাত বঙালী ভাষা বাধ্যতামূলক আছিল। এনেদৰেই কম বয়সতে ইংৰাজীৰ লগতে বঙালী সাহিত্যৰ সৈতে তেওঁৰ পৰিচয় ঘটে। সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মাদেৱ এম এ শ্ৰেণীৰ ছাত্ৰ হৈ থাকোঁতে বৰকটকী পৰিয়ালৰ ভাৰাঘৰতে থাকিবলৈ লৈছিল। তেওঁ মুনীন বৰকটকীক ভাইটি বুলি সম্বোধন কৰিছিল। সাহত্যাচাৰ্য্যগৰাকীৰ 'ভাইটিৰ বিষয়ে' নামৰ লেখাত মুনীন বৰকটকীৰ সেই সময়ৰ কিছু কথা উল্লেখ আছে। তেওঁ লিখিছে, "কলিকতাত নিশাৰ ভিতৰতে খবৰ কাগজ বিলায়। ভাইটিয়ে ব্ৰহ্মমুহূৰ্ততে উঠি খবৰ কাগজ পঢ়ি আমাক চাহ খাওঁতে গোটেই খবৰ মুখেৰে কৈ দিয়ে। তাৰ বাহিৰেও কলিকতাত ঠায়ে ঠায়ে থকা লাইব্ৰেৰীবিলাকলৈ গৈ বিবিধ কিতাপ পঢ়ি আনন্দ পাইছিল আৰু সেই পঢ়াৰ কথা আনকো কৈছিল।" স্কুলীয়া ছাত্ৰ মুনীন বৰকটকীৰ বাতৰি কগজ খৰচি মাৰি পঢ়া আৰু বিবিধ গ্ৰন্থপাঠৰ এই অভ্যাস গোটেই জীৱনৰ বাবে ৰৈ গৈছিল আৰু ইয়ে ভৱিষ্যতে তেওঁক এগৰাকী অনন্য প্ৰজ্ঞাধিকাৰী কৰি গঢ়ি তোলাত সহায় কৰিছিল বুলি সহজে অনুমান কৰিব পাৰি।

দুৰ্গাধৰ বৰকটকীদেৱে কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰাৰ পাছত এদিন কলিকতাৰপৰা অসমলৈ ঘূৰি আহে। অসমলৈ ঘূৰি অহাৰ পাছত ১৯৩০ চনত মুনীন বৰকটকী যোৰহাট গৱৰ্ণমেন্ট হাই স্কুলৰ নৱমমান শ্ৰেণীত ভৰ্তি হয়। পাছলৈ বিশিষ্ট কথা-সাহিত্যিক হিচাবে পৰিচিত কৃষ্ণ ভূঞা তেতিয়া সেই শ্ৰেণীৰে ছাত্ৰ আছিল। প্ৰথম অৱস্থাত নতুন পৰিৱেশত খাপ খাবলৈ মুনীন বৰকটকীৰ কিছু সময়ৰ প্ৰয়োজন হৈছিল। তেনে সময়তে কৃষ্ণ ভূঞা আৰু মুনীন বৰকটকীৰ

মাজত বন্ধুত্ব গঢ় লৈ উঠে। কেতবোৰ বিষয়ত তেওঁলোকৰ মাজত থকা মতৰ মিলৰ বাবেই সেই বন্ধুত্ব বেছি গাঢ় হৈ উঠিছিল বুলি ভূঞাদেৱৰ লেখনিৰপৰা জানিব পৰা যায়। ভূঞাদেৱৰ 'Some Memories of My Friend, Munin' প্ৰবন্ধত সেই সময়ৰ মুনীন বৰকটকী আৰু তেওঁলোক দুয়োৰে মাজৰ বন্ধুত্বৰ এক সুন্দৰ বৰ্ণনা আছে। ("... Fresh from Calcutta background, Munin found himself amongst strangers and so was shy of the company of the other boys in the class. It so happened that we sat side by side, on the same bench in the class. I took the initiative to converse with him; in a few days it was clear that we had many common interests; ... As I became more and more familiar with his habits, whims and hobbies, I discovered that he had developed a habit of reading good books, newspapers, magazines etc. regularly. While at Calcutta he must have got plenty of scope to nourish his habit. He surprised me by the sweep of his knowledge of the famous books by great Bengali writers.")

দশমমান শ্ৰেণীত পঢ়ি থাকোঁতে কৃষ্ণ ভূঞা আৰু মুনীন বৰকটকী দুয়ো লগ হৈ দুখন হাতেলিখা আলোচনী প্ৰকাশ কৰি উলিয়ায়। কৃষ্ণ ভূঞাৰ সম্পাদনাত 'কুমুদিনী' প্ৰকাশ হৈ ওলোৱাৰ পাছত মুনীন বৰকটকীৰ সম্পাদনাত প্ৰকাশ হয় 'আৰতি' নামৰ আন এখন হাতেলিখা আলোচনী। এনেদৰে তেওঁলোকৰ ছয়-সাতখনমান আলোচনী প্ৰকাশ হোৱাৰ পাছত এবাৰ 'আৰতি'ৰ সম্পাদকীয়ত মুনীন বৰকটকীয়ে ব্ৰিটিছ চৰকাৰক সমালোচনা কৰি এটা লেখা প্ৰকাশ কৰাত তেওঁলোকৰ আটাইকেইখন আলোচনী স্কুল কৰ্তৃপক্ষই বাজেয়াপ্ত কৰি নষ্ট কৰে; লগতে ভৱিষ্যতে তেনে কাম নকৰিবলৈ তেওঁলোকক কঢ়া সকীয়নিও দিয়া হয়। সাহিত্যৰ ক্ষেত্ৰখনত ভৰি দি আৰম্ভণিতে বাধাৰ সন্মুখীন হ'লেও ভৱিষ্যতে বিকশিত হৈ উঠা নিষ্ঠাৱান লেখক দুজনৰ অংকুৰণ ইয়াতে হৈছিল বুলি নিঃসন্দেহে ক'ব পৰা যায়।

১৯৩২ চনত মুনীন বৰকটকীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ যোৰহাট কলেজৰ কলা শাখাৰ ইন্টাৰমিডিয়েট শ্ৰেণীত নামভৰ্তি কৰে। সেই সময়ত তেওঁৰ ককায়েক সত্যেন্দ্ৰ নাথ বৰকটকী চাকৰিসূত্ৰে বাহিৰত আছিল আৰু বায়েক দুগৰাকীৰো বিয়া হৈ যোৱাত ঘৰত মাকৰ সৈতে তেওঁহে আছিল। ঘৰত প্ৰায় অকলশৰে থাকিবলগীয়া হোৱা অৱস্থাত তেওঁৰ সংগী আছিল বিভিন্ন বিষয়ৰ কিতাপ। সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মাদেৱৰ পূৰ্বে উল্লেখ কৰা প্ৰৱন্ধত আছে, "মুনীন যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত আই এ ক্লাছত মোৰ ছাত্ৰ আছিল। সেই

সময়ত মই যিখিনি ছাত্র তাত পাইছিলো, তেনে জিজ্ঞাসু আৰু আগ্ৰহী সৰল ছাত্ৰ আন ক'তো পোৱা নাই আৰু বৰ্তমান কালত তেনে ছাত্ৰৰ সংখ্যা শতকৰা দহতকৈয়ো কম। মুনীন তেনে তৎপৰ ছাত্ৰৰ প্ৰতিনিধি। ... মুনীনে যোৰহাটত থকা কেইবছৰ স্থানীয় বিষ্ণুৰাম হল লাইব্ৰেৰীৰপৰা পাব পৰা গ্ৰন্থ মনোযোগেৰে অধ্যয়ন কৰিছিল। এই সম্পৰ্কে মোৰো পৰামৰ্শ লৈছিল। সেই সময়ত যোৰহাট কলেজৰ লাইব্ৰেৰী টোকোনা আছিল বুলি ক'ব পাৰি। বৰকটকীয়ে মোৰ সৰু সংগ্ৰহৰপৰা ৰবীন্দ্ৰ ৰচনাৱলী, গ্ৰীক ট্ৰেজেডী, টলষ্টয়ৰ গ্ৰন্থ, ইবচেনৰ নাটক, মেথিউ আৰ্নল্ডৰ ৰচনা, ইংৰাজী আৰু বঙালী সাহিত্যিকৰ দুই চাৰিখন বিখ্যাত গ্ৰন্থ আই এ শ্ৰেণীত পঢ়ি থাকোঁতেই অতি মনোযোগেৰে অধ্যয়ন কৰিছিল।"

১৯৩০ চনৰপৰা মুনীন বৰকটকীয়ে 'আৱাহন', 'জয়ন্তী', আদি আলোচনীত গল্প লিখা আৰম্ভ কৰে। ১৯৩৪ চনৰ ভিতৰত তেওঁৰ গল্পৰ সংখ্যা বাৰটা হয়গৈ। সেই গল্পকেইটাই খুব কম সময়তে পাঠক আলোচকৰ দৃষ্টি আকৰ্ষণ কৰে আৰু তাৰ মাজত ভৱিষ্যতৰ এজন উচ্চস্তৰৰ সফল গল্পকাৰৰ উপস্থিতিৰ কথা আটায়ে অনুভৱ কৰিলেও ভৱিষ্যতে বৰকটকীৰ গল্প কাকত-আলোচনীত প্ৰকাশ নহ'ল।

১৯৩৪ চনত মুনীন বৰকটকীয়ে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনৰ ইন্টাৰমিডিয়েট পৰীক্ষাত উত্তীৰ্ণ হয় আৰু বি এ শ্ৰেণীত নামভৰ্তি কৰিবৰ কাৰণে তেওঁ কটন কলেজলৈ যায়। এই যাত্ৰাত মুনীন বৰকটকীৰ সংগী আছিল তেওঁৰ প্ৰিয় বন্ধু কৃষ্ণ ভূঞা। সেই সময়ৰ কথা মনলৈ আনি ভূঞাদেৱে লিখিছে যে আজৰি সময়ত যেতিয়া মুনীন বৰকটকীৰ বন্ধুসকল আমোদজনক কিবা কামত ব্যস্ত আছিল, বৰকটকীয়ে কাৰ্জন হলত বহু দেৰিলৈ একান্ত মনে গ্ৰন্থপাঠত নিমগ্ন হৈ আছিল। ("We turned our youthful energies to enjoyable occupations in our free time. Literature, music and patriotism were Munin's favourites, but his first love was the acquisition of knowledge. So when we would be out in streets seeking fun and frolics, Munin would often retire into the privacy of the Curzon Hall Library, and read for hours, late into the night.")

এনেদৰেই কটন কলেজত দুটা বছৰ পাৰ হৈ গ'ল। নিজকে এজন অতি মেধাৱী ছাত্ৰ হিচাবে পৰিচয় দিয়া মুনীন বৰকটকীয়ে ১৯৩৬ চনত বি এ ফাইনেল পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সময় আহিল। প্ৰথমে ইতিহাস বিষয়ত সন্মান লৈ পঢ়ি পাছত তেওঁ সেয়া অৰ্থনীতি আৰু ইংৰাজী বিষয়লৈ সলনি কৰিছিল। কিন্তু পৰীক্ষালৈ কেইমাহমান থকা অৱস্থাত হঠাতে তেওঁ ঠিক কৰে যে

সেই বছৰ তেওঁ পৰীক্ষাত নবহে। পৰীক্ষাৰ বাবে প্ৰস্তুতি আশা কৰা ধৰণে নোহোৱা বাবেই এই সিদ্ধান্ত লোৱা বুলি তেওঁ বন্ধু কৃষ্ণ ভূঞাক জনায়। ভূঞাই তেওঁক এই সিদ্ধান্ত লোৱাৰ আগতে পুনৰ ভাবি চাবলৈ অনুৰোধ কৰে যদিও বৰকটকীয়ে নিজৰ সিদ্ধান্ত সলাবলৈ মান্তি নহয়। শেষত সেই একে কাৰণতে কৃষ্ণ ভূঞাইও পৰীক্ষাত নবহাৰ সিদ্ধান্ত লয় আৰু দুয়ো যোৰহাটলৈ উভতি যায়। দুবছৰৰ পাছত বৰকটকী আৰু ভূঞা দুয়ো বন্ধু লগ হৈ বি এ ফাইনেল পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত লয়। এইবাৰ তেওঁলোকে কোনো বিষয়ত সন্মান নোলোৱাকৈ পাছ ক'ৰ্ছৰ বিষয়কেইটাতে পৰীক্ষা দিবলৈ প্ৰস্তুতি চলায় আৰু তেনেদৰেই পৰীক্ষাত বহে। ১৯৩৮ চনৰ কলিকতা বিশ্ববিদ্যালয়ৰ বি এ পৰীক্ষাৰ ফল যেতিয়া ঘোষণা কৰা হ'ল, দেখা গ'ল বিশ্ববিদ্যালয়ৰ ভিতৰত ডিষ্টিংশ্বন লৈ পাছ কৰা ছাত্ৰসকলৰ ভিতৰত মুনীন বৰকটকীয়ে প্ৰথম স্থান লাভ কৰিছে। ইয়াৰ বাবে তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ 'প্ৰভাত কুমাৰ স্বৰ্ণপদক' লাভ কৰি বিৰল সুখ্যাতি অৰ্জন কৰে। দুবছৰ কলেজৰপৰা আঁতৰি থাকি খৰখেদাকৈ দুমাহমানৰ প্ৰস্তুতিৰে পৰীক্ষা দি কলিকতা বিশ্ববিদ্যালয়ৰ ডিষ্টিংশ্বনত প্ৰথম হোৱা ব্যক্তিগৰাকীৰ মেধাৰ পৰিসৰ নিশ্চয় অনুমান কৰিব পৰা যায়।

বি এ পৰীক্ষাত বহাৰ আগে পিছে মুনীন বৰকটকীয়ে যোৰহাটৰ মিছন হাইস্কুল, চৰকাৰী হাইস্কুল আৰু নগালেণ্ডৰ এখন স্কুলতো শিক্ষকতা কৰিছিল। এই সময়ৰ তেওঁৰ ছাত্ৰৰ ভিতৰত আছিল, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, অমূল্য বৰুৱা, অজিতকুমাৰ শৰ্মা, পদুম বৰুৱা, ৰাজেন্দ্ৰনাথ হাজৰিকাৰ দৰে পাছৰ কালত বিভিন্ন ক্ষেত্ৰত সুখ্যতি অৰ্জন কৰা কেইগৰাকীমান স্বনামধন্য লোক। যোৰহাটত শিক্ষকতা কৰি থকাৰ সময়ত বাগ্মীবৰ নীলমণি ফুকন সম্পাদিত আৰু শিৱপ্ৰসাদ বৰুৱা প্ৰকাশিত 'দৈনিক বাতৰি'ৰ সহকাৰী সম্পাদক হিচাবেও তেওঁ কাম কৰিছিল বুলি জনা যায়। ১৯৩৯ চনৰ আগষ্ট মাহৰপৰা আছাম ট্ৰিবিউন কাকতখন গুৱাহাটীৰপৰা প্ৰকাশ হ'বলৈ আৰম্ভ কৰে। ইয়াৰ আগতে ডিব্ৰুগড়ৰপৰা কাকতখন প্ৰকাশ পাইছিল। ডিব্ৰুগড় আৰু গুৱাহাটীৰপৰা কাকতখন প্ৰকাশৰ এই সন্ধিক্ষণত মুনীন বৰকটকীয়ে লক্ষ্মীনাথ ফুকনদেৱৰ লগত সহকাৰী সম্পাদক হিচাবে কাম কৰাৰ সুযোগ লাভ কৰিছিল। কিন্তু এই কামত তেওঁ বেছিদিন নাথাকিল। ১৯৩৯ চনৰে শেষৰ ফালে মাধৱ বেজবৰুৱা সম্পাদিত 'বাঁহী' আলোচনীৰ যুটীয়া সম্পাদক হিচাবে কাম কৰিবলৈ তেওঁ কলিকতালৈ যায়। সেই যাত্ৰাত তেওঁৰ আৰু এটা উদ্দেশ্য আছিল। সেয়া হৈছে কলিকতা বিশ্ববিদ্যালয়ৰ এম এ শ্ৰেণীত ভৰ্তি হৈ শিক্ষাগ্ৰহণ কৰা। কিন্তু এটা

সংখ্যা প্ৰকাশৰ পাছতে বেজবৰুৱাদেৱৰ সৈতে কিবা কথাত মতৰ অমিল হোৱাত বাঁহীৰপৰা তেওঁ বিদায় ল'লে। বিশ্ববিদ্যালয়ত এম এ শ্ৰেণীৰ নিয়মীয়া পাঠগ্ৰহণো তেওঁৰ নহ'লগৈ। সেই সময়ত তেওঁৰ ভিনদেৱেক নবীন চন্দ্ৰ শৰ্মাই ঢাকাত চাকৰি কৰিছিল। এইবাৰ তেওঁ ঢাকা বিশ্ববিদ্যালয়ত পঢ়াৰ কথা চিন্তা কৰে আৰু সেই উদ্দেশ্যে ঢাকালৈ গৈ বায়েক-ভিনদেৱেকৰ ঘৰতে থাকিবলৈ লয়। বিয়াল্লিছৰ আন্দোলনৰ সময়ত তেওঁ ঢাকাতে আছিল।

দ্বিতীয় মহাযুদ্ধৰ ভৰপকৰ সময়ত সামৰিক বাহিনীৰ প্ৰচাৰ বিভাগত তেওঁ কাম কৰিবলৈ লয়। সামৰিক বাহিনীৰ প্ৰচাৰ বিভাগৰ তেতিয়া মূল কাম আছিল জাপানী সৈন্যৰ বিৰুদ্ধে জনমত গঠন কৰা৷ অসম সীমান্তত জাপানী সৈন্যৰ পৰাজয় আৰু জাপানৰ আত্ম-সমৰ্পণৰ পাছত সেই কামৰ প্ৰয়োজনীয়তা নোহোৱা হৈ যায় আৰু তেওঁলোকৰ কামৰো অন্ত পৰে৷ অৱশ্যে শ্বিলংস্থিত ভাৰত চৰকাৰৰ প্ৰচাৰ বিভাগত তেওঁৰ পুনৰ মকৰল হয়। পাছলৈ তেওঁ অসম চৰকাৰৰ সমবায় আৰু গ্ৰামোন্নয়ন বিভাগত প্ৰচাৰ বিষয়া হিচাবে কাম কৰিবলৈ লয় আৰু ভাৰত স্বাধীন হোৱাৰ আগে আগে সেই কাম ইস্তফা দি তেওঁ গুৱাহাটীলৈ উভতে। অলপ দিন 'আছাম ট্ৰিবিউন' আৰু 'দৈনিক অসমীয়া' কাকতৰ সৈতে জড়িত হৈ থাকি পাছত তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰত যোগ দিয়ে। এইবোৰ কম দিনীয়া কামৰ অন্তত ১৯৪৮ চনত তেওঁ অসম চৰকাৰৰ প্ৰচাৰ বিভাগৰ বিষয়া হিচাবে শ্বিলঙৰ কাৰ্য্যালয়ত যোগ দিয়ে আৰু তাত তেওঁ ১৯৫৬ চনলৈকে বিভিন্ন পদবীত কাৰ্য্যনিৰ্বাহ কৰে৷ উল্লেখযোগ্য যে ১৯৫৬ চনত মুনীন বৰকটকীয়ে কাম কৰি থকা কাৰ্য্যালয়টোতে ৰেণুকা দেৱীয়ে প্ৰচাৰ বিষয়া হিচাবে চাকৰিত যোগ দিয়ে৷ পাছলৈ মুনীন বৰকটকী যেতিয়া ভাৰত চৰকাৰৰ প্ৰেছ ইনফৰ্মেশ্বন ব্যুৰ'ৰ বিষয়া হিচাবে কৰ্মৰত হৈ আছিল, সেই সময়তে ১৯৫৯ চনত ৰেণুকা দেৱীৰ সৈতে তেওঁৰ বিৱাহ সম্পন্ন হয়। ডঃ নগেন শইকীয়াই তেওঁলোকৰ বিৱাহসম্পৰ্কে লিখিছে, "একেটা বিভাগত কাম কৰাৰ বাবে স্বাভাৱিকতে চকুৰ চিনাকি হ'লেও মনৰ চিনাকি হোৱাৰ কোনো পোন বাট ওলোৱা নাছিল। তাতে ধীৰ, গহীন-গম্ভীৰ মানুহজনৰ লগত তেওঁৰ সহকৰ্মীসকলো অন্তৰংগ হৈ উঠাৰ প্ৰশ্নই নাছিল। একমাত্ৰ ব্যতিক্ৰম আছিল প্ৰমোদ শৰ্মাডাঙৰীয়া৷ প্ৰমোদ শৰ্ম্মা নামৰ ব্যক্তিগৰাকী নথকা হ'লে আমি মুনীন বৰকটকীক সাংসাৰিক জীৱনৰ মাজত পালোহেঁতেননে নাই ক'ব পৰা নাযায়।" ৰেণুকা দেৱীয়ে সোঁৱৰণ কৰি কৈছে, "পাব্লিচিটি বিভাগৰ ডাইৰেক্টৰ ঈশ্বৰপ্ৰসাদ চৌধুৰীৰপৰা তলৰ সকলো বিষয়া-কৰ্মীৰ লগত কম-বেছি পৰিমাণে চিনাকি আছিল। কিন্তু পাব্লিচিটি বিভাগৰ আছাম টাইপ

ঘৰটোৰ মুৰৰ কোঠাত বহা মুনীন বৰকটকী বোলা মানুহজনৰ নাম শুনিছিলো যদিও দেখা নাছিলো। এদিন এজন বিষয়াই মোক তেখেতৰ লগত চিনাকি কৰাই দিলে। ঘৰৰ কথা দুই এটা সুধি তেখেতে ক'লে, "নাজানো তোমাৰ নিচিনা ছোৱালীয়ে এই অফিচৰ কাম কিমান ভাল পাবা। তথাপি কাম যেতিয়া কৰিবই লাগিব, কিবা বুজি নাপালে বা অসুবিধা হ'লে আহিবা, মই বুজাই দিম।"" ৰেণুকা দেৱীৰ এই কথাখিনিয়ে নগেন শইকীয়াদেৱে লিখা কথাখিনিৰ সত্যতাকে নিশ্চয় প্ৰতীয়মান কৰে। সি যি হওক, মুনীন বৰকটকীয়ে 'মিত্ৰ' বুলি সম্বোধন কৰা প্ৰমোদ শৰ্মাৰ একান্ত প্ৰচেষ্টাতে ১৯৫৯ চনত মুনীন বৰকটকীৰ সৈতে ৰেণুকা দেৱীৰ বিৱাহ সম্পন্ন হয় আৰু ৰেণুকা দেৱী হৈ পৰে ৰেণুকা দেৱী বৰকটকী। অসমৰ ৰাজনৈতিক তথা সামাজিক ক্ষেত্ৰখনৰ অতি পৰিচিত ৰেণুকা দেৱী বৰকটকীক দুনাই পৰিচয় কৰাই দিয়াৰ প্ৰয়োজন নিশ্চয় নাই। মুনীন বৰকটকী আৰু ৰেণুকা দেৱী বৰকটকীৰ একমাত্ৰ সন্তান মীনাক্ষীৰ জন্ম হয় ১৯৬৫ চনত।

১৯৫৬ চনৰপৰা ১৯৬৫ চনলৈ মুনীন বৰকটকীয়ে ভাৰত চৰকাৰৰ প্ৰেছ ইনফৰ্মেশ্বন ব্যুৰ' আৰু পাছত আকাশবাণীৰ বাৰ্তা সম্পাদক হিচাবে কাম কৰি ১৯৭০ চনত চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে। অৱশ্যে চৰকাৰী চাকৰিৰপৰা অৱসৰৰ পাছতো ১৯৭২-৭৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগত মুনীন বৰকটকীয়ে অধ্যাপনা কৰিছিল।

(২)

চাকৰিৰপৰা অব্যাহতি লাভৰ পাছত মুনীন বৰকটকীয়ে তেওঁৰ আটাইতকৈ প্ৰিয় 'পঢ়াৰ কাম'তে নিজক সম্পূৰ্ণৰূপে নিমজ্জিত কৰে। তেওঁৰ প্ৰতিবেশী বীৰেন্দ্ৰকুমাৰ লহকৰে লিখিছে, "ঘৰৰপৰা ওলায়েই বাঁওফাললৈ এক বিশেষ কোণেৰে চাই পঠালেই বিৰাট লোৰ গেটখনৰ সিপাৰে, গেটখনৰ পোনে পোনে দেখা সৰু অথচ আটোমটোকাৰী কোঠাটোৰ সমুখৰ লোৰ গ্ৰিলেৰে আৱৰা সৰু বাৰান্দাখনৰ একমাত্ৰ চকীখনত মানুহজনে আপোনমনে কাকত পঢ়ি থকা চকুত পৰে। ... সমুখৰ ঘূৰণীয়া টেবুলখনত এজাপ ইংৰাজী-অসমীয়া স্থানীয় আৰু সৰ্বভাৰতীয় বাতৰিকাকত। গহীন-গম্ভীৰ মানুহজনক তেনে অৱস্থাত দেখিলে, এই সকলোবোৰ মিলি ফুটি উঠা মানুহজনৰ প্ৰখৰ ব্যক্তিত্বৰ উত্তাপত ওচৰলৈ যাবলৈকে বহু সময় চিন্তা কৰিব লগা হয়।" লহকৰদেৱে পুনৰ লিখিছে, "ঠাণ্ডাই হওক বা গৰমেই হওক, ৰ'দেই থাকক বা বৰষুণেই থাকক, প্ৰতিদিনেই মানুহজনে আবেলি এটা নিৰ্দিষ্ট সময়ত ঘৰৰপৰা বাহিৰলৈ ওলাই ফুটপাথেৰে গহীন-গম্ভীৰ খোজেৰে

আগবাঢ়ে দীঘলীপুখুৰীৰ ফাললৈ; দীঘলীপুখুৰীৰ পাৰ পাই মানুহজন অলপ থমকি ৰৈ ব্যস্ত ৰাজপথৰ ইফালে-সিফালে চাই পথটো পাৰ হৈ জিলা পুথিভঁৰালত সোমাই পোনে পোনে অধ্যয়ন কক্ষত প্ৰৱেশ কৰি অধ্যয়ন কক্ষত থকা আটাইবোৰ বাতৰিকাকত গোটাই লৈ এঠাইত বহি এখন বেলেগ জগতত সোমাই পৰে। ... মানুহজন যেতিয়া সন্ধিয়া চাৰে সাত বজাৰ পাছতো কোনো গ্ৰন্থৰ কোনো প্ৰবন্ধৰ মাজত ডুব গৈ থাকে, তেতিয়া অধ্যয়ন কক্ষৰ পৰিচালনাৰ দায়িত্বত থকা কৰ্মচাৰীজনে ভয়ে ভয়ে মানুহজনৰ ওচৰ চাপি কওঁ নকওঁকৈ কৈ উঠে, "ছাৰ, চাৰে সাত বাজি গ'ল, আমাৰ বন্ধ কৰাৰ সময় হ'ল।"

জীৱনৰ আগছোৱাত পঢ়াৰ মাজে মাজে তেওঁ যিকেইটা গল্প, কবিতা আৰু প্ৰবন্ধ লিখিছিল সেইকেইটাও তেতিয়ালৈ আলোচনী অথবা কাকতৰ পাততে সীমাবদ্ধ আছিল। তেওঁৰ কোনো কিতাপ তেতিয়ালৈ প্ৰকাশ পোৱা নাছিল। ১৯৬৯ চনত চাৰু মহন্তদেৱৰ নেৰানেপেৰা অনুৰোধত তেতিয়াৰ 'অসম বাতৰি' ককতত তেওঁ কেইটামান প্ৰবন্ধ লিখে। পাছত সেই প্ৰবন্ধ কেইটা একেলগ কৰি ১৯৮১ চনত কিতাপৰ আকাৰে প্ৰকাশ কৰা হয়। 'বিস্মৃত ব্যতিক্ৰম' নামৰ সেই কিতাপখনেই আছিল মুনীন বৰকটকীৰ জীৱনকালত প্ৰকাশিত একমাত্ৰ কিতাপ। কিতাপখন নিজেই আছিল একপ্ৰকাৰ ব্যতিক্ৰমী বৈশিষ্ট্যৰ আৰু সেই বৈশিষ্ট্যৰ প্ৰতি উচিত সন্মান জনাই 'বিস্মৃত ব্যতিক্ৰম'ক ১৯৮৪ চনত প্ৰদান কৰা হয় সন্মানীয় অসম প্ৰকাশন পৰিষদ বঁটা। ডঃ মহেশ্বৰ নেওগদেৱে কিতাপখন সম্পৰ্কে কৈছে যে 'সৰু হ'লেও এইখন সোণৰ সমতুল্য'। ("*Bismrita Byatikram* or *Forgotten Exceptions* is the tiny publication which brought Munin Barkotoki public recognition and a years' annual Prakashan Parishad Award. Though tiny, the book is worth its weight in gold.")

'বিস্মৃত ব্যতিক্ৰম'ৰ বিষয়ে বিশিষ্ট সমালোচক অধ্যাপক উপেন শৰ্মাদেৱে লিখিছে, "মুনীন বৰকটকীয়ে চুটিগল্প, প্ৰবন্ধ, জীৱনীমূলক আলেখ্য, সমালোচনা, সাংবাদিকতা – যিহতে হাত দিছে, তাতেই অবিস্মৰণীয় বৰঙণি আগবঢ়াইছে। তথাপি হয়তো আজি আমাৰ জাতীয় জীৱনৰ এই সন্ধিক্ষণত তেওঁৰ 'বিস্মৃত ব্যতিক্ৰম'খনেই তেওঁৰ 'মেগ্নাম অপাছ' বুলি স্বীকৃত হৈছে। গ্ৰন্থখনত সন্নিৱিষ্ট অম্বিকাগিৰী ৰায়চৌধুৰী, জ্ঞাননাথ বৰা, মহেন্দ্ৰনাথ ডেকাফুকন, মাধৱ চন্দ্ৰ বেজবৰুৱা, হলিৰাম ডেকা, হৰেন্দ্ৰ নাথ কলিতা, বিষ্ণুপ্ৰসাদ ৰাভা, ফণী শৰ্মা, গুণাভিৰাম বৰুৱা, অমূল্য বৰুৱা, লক্ষ্মীনাথ ফুকন, হেম বৰুৱা, নীলমণি ফুকন আৰু কৃষ্ণকান্ত সন্দিকৈ, আদি কেইগৰাকীমান 'অধুনা বিস্মৃত, প্ৰয়াত আৰু জীৱন্মৃত' চৈধ্যজন অসমীয়াৰ চৰিত্ৰ আৰু কৰ্মৰাজিৰ

ওপৰত পোহৰ পেলোৱা হৈছিল। ...আধুনিক পৰ্য্যায়ৰ জীৱনীমূলক প্ৰবন্ধ ৰচনাৰ বাবে মূনীন বৰকটকীৰ অৰ্হতা সন্দেহৰ অতীত। তেওঁৰ বিষয়-বস্তুকেইটাৰ ওপৰত অসামান্য দখল আছিল। Zeitgeist বা টাইমস্পিৰিটৰ অনুভৱো তেওঁৰ অতুলনীয়।"

ব্যতিক্ৰমী লেখক মুনীন বৰকটকীৰ বিষয়ে ডঃ হীৰেন গোঁহাইদেৱে লিখিছে, "আৱাহন যুগতে বৰকটকীদেৱ আছিল এটা পৰিচিত নাম। তাহানিৰ নিস্তৰংগ অসমীয়া সমাজত আধুনিক মনন আৰু দৃষ্টিভংগী এটা প্ৰৱৰ্তন কৰিবলৈ তেখেতে তেখেতৰ ৰচনাৰ যোগেদি কম চেষ্টা কৰা নাছিল। তেখেতে 'কনফেশ্যনছ' আদি ৰচনাৰ জৰিয়তে জড়ীভূত আচাৰ-সংস্কাৰৰ বিৰুদ্ধে মুক্ত ব্যক্তিমনৰ আৰু আত্মপ্ৰত্যয়ৰ বিদ্ৰোহ ঘোষণা কৰিছিল। আধুনিক মন এটা যে কেৱল আধুনিক সাজ-পোছাক বা বাহ্যিক লক্ষণৰ ওপৰত নিৰ্ভৰ নকৰে, কিছু কষ্ট কৰিহে যে তেনে মন এটা আয়ত্ত কৰিব পাৰি, শিক্ষিত অসমীয়া সমাজক তেখেতে সেই কথা সদায় সোঁৱৰাই আছিল। শিক্ষিত আৰু অনুভূতিশীল অসমীয়াচামৰ মাজত এইবোৰ ৰচনাই আলোড়ন আনিছিল। অসমৰ স্থানুধৰ্মী সামাজিক পৰিৱেশত তেখেতৰ মন সদায় অশান্ত হৈ আছিল। সেইবাবেই প্ৰথাগত কথাবোৰৰ ব্যতিক্ৰমত তেখেতে আগ্ৰহ প্ৰকাশ কৰিছিল।"

সাহিত্যৰ ৰসজ্ঞ পাঠক আৰু ব্যতিক্ৰমী লেখক হোৱাৰ লগতে সাহিত্য সমালোচক হিচাবেও অসমীয়া সাহিত্যত মুনীন বৰকটকী আছিল অনন্য। এগৰাকী 'সহৃদয়-হৃদয়' সমালোচক মুনীন বৰকটকীৰ বিষয়ে ডঃ নগেন শইকীয়াদেৱে কৈছে, "... মন কৰিবলগীয়া কথা এয়ে যে অসমীয়া সাহিত্য বিচাৰৰ ক্ষেত্ৰত তেওঁৰ মনৰ চকুৰ আগত আমাৰ সাহিত্যৰ ঐতিহাসিক বিকাশ আৰু অগ্ৰগতিৰ ছবিখন পটভূমিস্বৰূপে সদায় স্পষ্ট হৈ আছিল। তেওঁৰ সাহিত্য-সমালোচনাৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল সাহিত্য সমালোচক হিচাবে ভাৰতীয় আলংকাৰিকসকলে কোৱাৰ দৰে তেওঁ আছিল লেখকৰ 'সহৃদয়-হৃদয়' সংবেদী। এজন সৃষ্টিশীল লেখকৰ মাজত যিদৰে স্ৰষ্টা আৰু সমালোচক দুটা ব্যক্তিত্ব ক্ৰিয়াশীল হৈ থাকে, এজন লেখকৰ 'সহৃদয়-হৃদয়' সমালোচকৰ মাজতো তেনেভাৱে লেখক আৰু সমালোচকৰ দুয়োটা ব্যক্তিত্বৰ উমৈহতীয়া দৃষ্টিভংগী এটা গঢ় লৈ উঠে। অৰ্থাৎ এজন লেখকৰ লগত একাত্ম হৈ যিদৰে বিষয়টো দাঙি ধৰে তেনেদৰে এজন ৰসজ্ঞ পঢ়ুৱৈয়ে পোৱা গুণ আৰু দোষ দুয়োটা সমদৃষ্টিৰে তেওঁ দাঙি ধৰে। সমালোচক বৰকটকীৰ মাজত এনে সহৃদয়-হৃদয় পঢ়ুৱৈ আৰু এজন ৰসজ্ঞ বিচাৰক দুয়োজনকে আমি পাওঁ।" এই প্ৰসংগতে এটা কথা উল্লেখ কৰি থোৱা উচিত হ'ব যে বিভিন্ন কাকত-আলোচনীত প্ৰকাশিত গল্প, কবিতা, উপন্যাস,| প্ৰবন্ধ, আদি ৰচনাৰাজি পঢ়ি ভাল লাগিলে সেই ৰচনাৰ লেখকজন অখ্যাত বা বিখ্যাত

যিয়ে নহওক, মুনীন বৰকটকীয়ে ‘পোষ্টকাৰ্ড’ত লেখকজনলৈ নিজৰ প্ৰশংসা প্ৰেৰণ কৰে। বিশেষকৈ কম বয়সীয়া তথা নতুন লেখকক প্ৰেৰণা যোগাই ‘পোষ্টকাৰ্ড’ত চিঠি লিখা কামটো একপ্ৰকাৰ নিজৰ দায়িত্ব হিচাবেই তেওঁ কৰে, আৰু লেখকজনৰ যি সামান্য পৰিচয় তেওঁ জানে তাকেই ঠিকনা হিচাবে ব্যৱহাৰ কৰে। বহু ক্ষেত্ৰত লেখকজন আৰু তেওঁ থকা ঠাইখনৰ নামকে লিখি প্ৰেৰণ কৰা তেনে বহু চিঠি হয়তো ঠিকনা যথেষ্ট নোহোৱা বাবে নিৰ্দিষ্ট লেখকজনৰ হাতত নপৰেগৈ; কিন্তু তথাপিও সেই কাম কৰি তেওঁ একপ্ৰকাৰ আনন্দ অনুভৱ কৰে। এই বিষয়ে অসমৰ এগৰাকী প্ৰসিদ্ধ গল্পকাৰ, ঔপন্যাসিক শীলভদ্ৰই লিখিছে কেনেকৈ তেওঁৰ ঠিকনা ভালদৰে নজনাকৈয়ে মুনীন বৰকটকীয়ে তেওঁলৈ প্ৰশংসা ভৰা পত্ৰ লিখি উৎসাহিত কৰিছিল। (“ … Before I started writing, I had been outside the periphery of the Assamese literary circle. I was hardly familiar with any of the Assamese writers who dominated the field. As such, it was one of the happiest days of my life when I suddenly received a letter from Munin barkotoki. He must have really put in a lot of effort to write to me as he did not even know my address. It was a pleasant surprise for me to learn that he was familiar with most of my writings. I do not think that I should reproduce what he wrote about my writings – he was rather too generous in his praise of them. … Sri Barkotoki wrote to me without even knowing me personally. This gesture shows his greatness.”) প্ৰসিদ্ধ নাট্যকাৰ, ঔপন্যাসিক অৰুণ শৰ্মাৰ নাটক ৰেডিঅ’ যোগে শুনি ঠিক একেদৰে পোষ্টকাৰ্ড যোগে মুনীন বৰকটকীয়ে তেওঁলৈ অভিনন্দন আৰু শুভেচ্ছা জনোৱাৰ কথা শৰ্মাদেৱেও উল্লেখ কৰিছে।

সাংবাদিক হিচাবে মুনীন বৰকটকীৰ যি পৰিচয় আৰু অৱদান সেই সম্পৰ্কে অসমৰ অন্য এগৰাকী প্ৰথিতযশা সাংবাদিক ৰাধিকামোহন ভাগৱতীদেৱে কৈছে, “… সাংবাদিকতা তেওঁৰ ব্যক্তিত্বৰ সামান্য প্ৰকাশ মাত্ৰ। … (মুনীন বৰকটকীয়ে) নিজৰ অভিজ্ঞতা জ্ঞান-প্ৰজ্ঞাৰে অসমীয়া জাতীয়তাবাদৰ প্ৰসাৰ আৰু অসমবাসীৰ স্বাৰ্থৰ অনুকূলে জনমত গঠনৰ ক্ষেত্ৰত অন্যতম কাণ্ডাৰী হোৱাৰ মৰ্যাদা লাভ কৰিবলৈ সমৰ্থ হৈছিল। এইটো তেওঁৰ সাংবাদিকতাৰ এক বৈশিষ্ট্য আছিল আৰু এইছোৱাৰ সাংবাদিকতাৰ ইতিহাস তথা অসমৰ জনমতৰ গতিপথ বৰ্ণনা কৰিব লাগিলেই মুনীন বৰকটকীক বাদ দিব নোৱাৰি, কোনেও নোৱাৰিব কেতিয়াও। এজন ব্যক্তিৰ জীৱনত এইটো কম ডাঙৰ গৌৰৱৰ বিষয় নহয়। জাতীয় জীৱনৰ লগত একাত্মীয়তা যাৰে তাৰে

ভাগ্যত নঘটে। ধন-দৌলতৰ ওপৰত ইয়াৰ স্থান।” ভাগৱতীদেৱে শেষত কৈছে, “সুকীয়া মানসতাৰ অধিকাৰী, চিৰি-চেহেৰাৰে বেলেগ ধৰণৰ ব্যক্তিত্বসম্পন্ন মুনীন বৰকটকী অসমীয়াৰ এছোৱা সাধনা-যুগৰ প্ৰতিনিধি বুলি সহজে ক’ব পাৰি, যাৰ মতামতৰ মূল্য সকলো অসমীয়া বিদ্বানজনেই স্বীকাৰ কৰি গৈছে, লাগিলে সেয়া পুথি সমালোচনা বা অন্য লিখনি, যিয়েই নহওক, সাংবাদিকতাৰ বেলিকাও বৰকটকী বিকশিত মনুষ্যত্বৰ বিৰল শ্ৰেণীৰ অসামান্য সাংবাদিক – Journalist, Extra Ordinary.”

সমালোচনা আৰু সাংবাদিকতা এই দুই ভিন্ন ক্ষেত্ৰতে নিজৰ অনন্য প্ৰতিভাৰ চাপ ৰাখি থৈ যোৱা মুনীন বৰকটকীৰ অন্য এটা সাধাৰণতে চৰ্চিত নোহোৱা পৰিচয় দাঙি ধৰিছে অসমৰ এগৰাকী প্ৰতিভাধৰ সাহিত্য আলোচক ৰঞ্জিৎ কুমাৰ দেৱগোস্বামীদেৱে। তেওঁৰ মতে মুনীন বৰকটকীয়ে ‘সমালোচনামূলক সাংবাদিকতা’ক অনুশীলনৰ বাবে বাচি লৈছিল। দেৱগোস্বামীদেৱে লিখিছে, “তেখেতৰ বৃত্তি আৰু প্ৰবৃত্তি দুয়োটাই যেন তেখেতক ইয়াৰ বাবে মানসিকভাৱে প্ৰস্তুত কৰি তুলিছিল। অনাতাঁৰ মাধ্যম, দৈনিক বাতৰিকাকত, অৰ্দ্ধ সাপ্তাহিক, সাপ্তাহিক আৰু সাময়িক পত্ৰিকাৰ জৰিয়তে তেখেতে আগবঢ়োৱা কথিকা, পৰ্য্যালোচনা, প্ৰবন্ধ-নিবন্ধ, টোকা, আদিত অসমীয়া সমালোচনামূলক সাংবাদিকতাৰ কিছু উৎকৃষ্ট উদাহৰণ পোৱা যায়।”

দেৱগোস্বামীদেৱে আৰু লিখিছে, “শেষ ঊনবিংশ শতিকাৰ ইংৰাজী ইম্প্ৰেশ্যনিষ্টিক সমালোচনা, জনপ্ৰিয় সাহিত্যিক বক্তৃতাৰ আৰ্হিৰ ‘ৰস-ৰচনা’ (belle-lettres), তথা কিছু পৰিমাণে কাৰ্লাইলীয় বীৰবন্দনাৰ প্ৰেৰণাসম্ভূত কেতবোৰ ৰচনাৰ জৰিয়তে বৰকটকীদেৱে অসমীয়া পাঠকৰ সমুখত সমালোচনামূলক সাংবাদিকতাৰ এটা বিশেষ আদৰ্শ দাঙি ধৰিছিল।” এই সমালোচনামূলক সাংবাদিকতাৰ ‘প্ৰতিনিধিত্বমূলক ৰচনা’ হিচাপে বৰকটকীদেৱৰ ‘বিস্মৃত ব্যতিক্ৰম’ৰপৰা দেৱগোস্বামীদেৱে এটা উদ্ধৃতি দিছে, আৰু তাকেই ইয়াত উল্লেখ কৰা হ’ল। “জীৱন্ত আগ্নেয়গিৰি। ৰূপকল্পটো শুনাত আপচু, এনেকি উদ্ভট যেনো লাগিব পাৰে। কিন্তু অসমৰ আন এগৰাকী সমগোত্ৰীয়, ত্ৰিকালদৰ্শী, ঋষিসদৃশ দাৰ্শনিক, পূৰ্বসূৰী কমলাকান্ত ভট্টাচাৰ্য্যৰ অগ্নিবজ্ৰ ঐতিহ্যৰ উত্তৰসাধক অম্বিকাগিৰি ৰায়চৌধুৰীক অন্য কোনো ৰূপত কল্পনা কৰিবলৈ সত নাযায়, অন্য কোনো বৰ্ণনা এই অগ্নিস্ফুলিংগ-সম ব্যক্তিত্বৰ আৰু প্ৰতিভাৰ প্ৰকৃত পৰিচায়ক যেন নেলাগে। অম্বিকাগিৰিয়ে যাবজ্জীৱন বিদ্ৰোহৰ অগনি বৰষিছিল – breathed fire, উশাহ-নিশাহত বিপ্লৱৰ জুইৰ আঙনি সিঁচিছিল, যদিও তেওঁ fire eater আছিল বুলি ক’লে অন্যায় কৰা হ’ব। তেওঁৰ

স্থান আছিল ইংৰাজী ‘প্ৰফেট’ৰ শাৰীত। কাৰ্লাইলৰ বা বাইবেলৰ ‘প্ৰফেট’ৰ অস্থিৰতা, তীব্ৰতা, দৃঢ়প্ৰত্যয়ৰ উন্মাদনাই অম্বিকাগিৰিক প্ৰদান কৰিছিল এটা অসাধাৰণ ব্যক্তিত্ব।”

অত্যন্ত মেধাসম্পন্ন ৰসজ্ঞ পাঠক, সমালোচক, সাংবাদিক, সমালোচনামূলক সাংবাদিকতাৰ অনুশীলন কৰোঁতা আৰু ব্যতিক্ৰমী সাহিত্যিক হোৱাৰ লগতে এই কথাও জনা যায় যে মুনীন বৰকটকীয়ে ডেকা বয়সত হাৰমনিয়াম বজাই গান গাইছিল, বিশেষকৈ ৰবীন্দ্ৰ–সংগীত, আৰু নাচ–গান, থিয়েটাৰৰ অনুষ্ঠানসমূহ তেওঁ আগ্ৰহেৰে উপভোগ কৰিছিল। অৱশ্যে নাটক–থিয়েটাৰ–চলচ্চিত্ৰৰ প্ৰতি তেওঁৰ আগ্ৰহ পাছৰ কালতো অক্ষুণ্ণ আছিল আৰু জিলা পুথিভঁৰাল অথবা ৰবীন্দ্ৰ ভৱনত আয়োজন কৰা সেই অনুষ্ঠানসমূহৰ তেওঁ আছিল এজন নিয়মীয়া দৰ্শক তথা আলোচক। মুনীন বৰকটকীয়ে নিজে কৈছে, “কেৱল সাহিত্য সমালোচনা নহয়, সাহিত্যকো সামৰি বহলভাৱে সকলো প্ৰকাৰ কলাৰ সমালোচনাত প্ৰবৃত্ত হোৱাৰ ইচ্ছাৰ গুৰিতে হল কলাৰ প্ৰতি থকা স্বাভাৱিক ধাউতি। ৰংগমঞ্চ, চিত্ৰকলা, চলচ্চিত্ৰও মোৰ সমালোচনাৰ অন্তৰ্ভুক্ত হৈছে। বিশুদ্ধ সমালোচনা হৈছে নে নাই সেইকথা মই বিচাৰ কৰি চোৱা নাই। কোনো এখন কিতাপ পঢ়ি, চিত্ৰ চাই, অভিনয় উপভোগ কৰি মই সেই শিল্প, শিল্পকাৰৰ দৃষ্টিভংগীসম্পৰ্কে কি ধাৰণা কৰোঁ, তাকেই ব্যক্ত কৰিব খোজোঁ। গতিকে অধ্যাপনা বা শিক্ষকতা নহয়, অধ্যয়নেহে মোক সমালোচনা কাৰ্য্যত প্ৰবৃত্ত কৰাই আহিছে।”

ওপৰত কোৱাৰ দৰে মুনীন বৰকটকীয়ে অকল সাহিত্য, সংস্কৃতি, কলাৰ ৰসাস্বাদন কৰিয়ে সন্তুষ্ট নাছিল, প্ৰকৃততে তেওঁৰ জ্ঞানস্পৃহাৰ কোনো বন্ধন বা সীমাৰেখা নাছিল। তেওঁ বিজ্ঞানৰ ছাত্ৰ নাছিল যদিও বিজ্ঞানৰ শেহতীয়া বিকাশৰ খবৰো তেওঁ সমান আগ্ৰহেৰেই ৰাখিছিল, আৰু বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰৰ খবৰে তেওঁক আনন্দিত কৰিছিল। পদাৰ্থবিজ্ঞানৰ এখন আলোচনা সভাত তেওঁক লগ পোৱাৰ প্ৰসংগ উল্লেখ কৰি ডঃ শিৱনাথ বৰ্মনদেৱে লিখিছে, “বৰকটকীদেৱে জিলা পুথিভঁৰাললৈ নিয়মিতভাৱে অহা–যোৱা কৰা কালছোৱাৰপৰাই তেখেতক আলেঙে আলেঙে জানিছিলো। বিভিন্ন আলোচনাচক্ৰ আদিতো তেখেতক দেখাৰ সৌভাগ্য মোৰ হৈছিল। এবাৰ তেখেতক দেখা পাইছিলো পদাৰ্থবিজ্ঞান সম্পৰ্কীয় এখন আলোচনা সভাত। তেতিয়াই বুজিছিলো, মানুহগৰাকী সন্ধিৎসু, সম্প্ৰসাৰী মনৰ অধিকাৰী। ‘He decided not to live, but to learn’ – ব্ৰাউনিঙৰ দৰে ঠিক এনেকৈ ক’ব নোৱাৰিলেও ভাটী বয়সতো মনন–বৃক্ষৰ মৌচাক হাঁকুটিয়াই ফুৰাত তেখেতৰ উৎসাহ দেখি নিজেও উৎসাহিত হৈছিলো।”

মুনীন বৰকটকীৰ ৰাজনৈতিক দৃষ্টিভংগীৰ কথা উল্লেখ কৰি মীনাক্ষী বৰকটকীয়ে লিখিছে যে জনসাধাৰণৰ জীৱন-ধাৰণৰ মান উন্নত কৰাৰ আহিলা হিচাবেহে তেওঁ ৰাজনীতিৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। তেওঁৰ বাবে গান্ধীজী আছিল ৰাজনৈতিক ক্ষেত্ৰখনৰ প্ৰকৃত নায়ক। পাৰ্থিৱ বিষয়-সম্পত্তিৰ প্ৰতি থকা বিৰাগ আৰু ভাটী বয়সত তেওঁৰ সৰ্বাত্মক উদাসীনতাক লক্ষ্য কৰি মীনাক্ষী বৰকটকীয়ে অনুমান কৰিছে যে ডেকা বয়সত মাৰ্ক্সীয় দৰ্শনেও নিশ্চয় তেওঁক প্ৰভাৱিত কৰিছিল। (Politics for him was necessary only so far as it had the power to improve the lives of the people, specially of those who needed help. It was not surprising, therefore, that Gandhiji was his only real hero in the political arena. He was a true Gandhian in his own thoughts and beliefs. In his youth however, the Marxist philosophy must have appealed to him. For in the later life, there were traces of that influence to be found in his austerity and detachment from worldly possessions and in the code of strict discipline that he adhered to all his life."

মুনীন বৰকটকীৰ ৰাজনৈতিক চিন্তাধাৰা সম্পৰ্কে কিছু আভাস ডঃ হীৰেন গোহাঁইদেৱৰ লেখাৰপৰাও লাভ কৰা যায়। গোহাঁইদেৱে লিখিছে, "তেখেতৰ লগত মোৰ ব্যক্তিগত সান্নিধ্য ঘটিছিল ৰাজনৈতিক কাৰণত। তেখেত ৰাজনৈতিক মতবাদত উগ্ৰতাৰ সমৰ্থক নাছিল। গণতান্ত্ৰিক মূল্যবোধত আস্থাৰ বাবে তেখেতে সাম্যবাদৰ প্ৰতিও বিশেষ সদ্ভাৱ পোষণ কৰা নাছিল। কিন্তু মোৰ চুৰ্চুৰীয়া সাংবাদিক জীৱনত গণতান্ত্ৰিক মূল্যবোধ ৰক্ষাৰ বাবে মই কৰা যৎসামান্য প্ৰচেষ্টাই তেখেতৰ আশীৰ্বাদ আৰু উদগনি পাইছিল। বিশেষকৈ ১৯৭৪ চন মানৰপৰা ১৯৭৯ চন মানলৈ স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে মই কৰা লেখা-মেলাৰ বাবে তেখেতৰ ওচৰ চাপি গৈছিলো। ... তেখেতে গণতন্ত্ৰৰ লগতে এক উদাৰ বলিষ্ঠ মানৱতাবাদ অনুসৰণ কৰিছিল।"

বিশিষ্ট শিক্ষাবিদ তথা সমাজবাদী ৰাজনীতিবিদ অজিতকুমাৰ শৰ্মাদেৱে মুনীন বৰকটকীক 'মহানাগৰিক' আখ্যা দি কৈছে, "মুনীন বৰকটকীয়ে কবিতা লিখিলে, সাহিত্যচৰ্চা কৰিলে, সাংবাদিক হ'ল, সাহিত্যৰ সমালোচনা কৰিলে আৰু চিন্তাশীল প্ৰবন্ধ লিখিলে। এই সকলো ক্ষেত্ৰতে তেওঁ অসমৰ জাতীয় জীৱনলৈ অৰিহণা যোগাই গ'ল। কিন্তু এই সকলোৰে উপৰিও তেওঁ আছিল জ্ঞানসাধক। মহানুভৱ নাগৰিক। কবি, সাহিত্যিক, সাংবাদিকতাতকৈ তেওঁৰ আচল পৰিচয় আছিল এজন মাহানাগৰিক ৰূপেহে। তেওঁৰ আদৰ্শ আছিল জাতীয়তাবাদী আদৰ্শ। তেওঁৰ চিন্তাধাৰাত

অসমীয়া জাতিয়তাবাদ ভাৰতীয় জাতিয়তাবাদৰ বিৰুদ্ধ নহয়, পৰিপূৰকহে। উল্লেখযোগ্য যে তেওঁৰ চিন্তাধাৰাত কোনো প্ৰকাৰৰ সংকীৰ্ণতা নাছিল। কিন্তু সৰ্বভাৰতীয়ৰ নামত কোনোবাই যদি অসমীয়া জাতীয়তাৰ বিৰুদ্ধাচৰণ কৰে, তেওঁ সহ্য কৰিব নোৱাৰিছিল।" এই প্ৰসংগতে উল্লেখযোগ্য যে মুনীন বৰকটকীৰ পঢ়া-কোঠাৰ বেৰত গান্ধীজীৰ উপৰি শ্ৰীঅৰবিন্দ, ৰামকৃষ্ণ পৰমহংস, বিবেকানন্দ আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ফটোকেইখন আছিল। আৰু এখন ফটো হয়তো মুনীন বৰকটকীয়ে তাত ৰাখিবলৈ পালে ভাল পালেহেঁতেন, যাৰ প্ৰতি তেওঁৰ আছিল গভীৰ শ্ৰদ্ধা; সেইগৰাকী হৈছে মাদাৰ টেৰেছা। এই কথা মীনাক্ষী বৰকটকীৰ লেখাৰপৰা জানিব পৰা যায়।

(৩)

মনে-প্ৰাণে সম্পূৰ্ণৰূপত উদাৰ সাংস্কৃতিক ঐতিহ্যৰ অধিকাৰী মানসিকভাৱে অতীৱ সক্ৰিয় এই ব্যক্তিগৰাকী কিন্তু বৈষয়িক ক্ষেত্ৰত আছিল সম্পূৰ্ণ নিস্পৃহ। বৌদ্ধিক ক্ষেত্ৰখনৰ বাহিৰৰ মুনীন বৰকটকীৰ সাংসাৰিক জীৱন আছিল তেনেই সাধাৰণ। তেওঁৰ সুযোগ্যা জীয়ৰী মীনাক্ষী বৰকটকীৰ 'From One Solitude to Another' নামৰ প্ৰবন্ধৰপৰা এই বিষয়ে কিছু আভাস পোৱা যায়। মুনীন বৰকটকীৰ জীৱিত অৱস্থাত তেওঁৰ কিতাপখিনি বাদ দিলে বাকী সাজ-পোছাক আৰু অন্যান্য প্ৰয়োজনীয় বস্তুখিনি একগোট কৰিলে, সেইখিনি এটা দাঙি লৈ ফুৰিব পৰা বাকচত অনায়াসে ভৰাব পৰা হ'ব। এই বস্তুখিনিৰ ভিতৰত আকৌ আটাইতকৈ দামী বস্তু কেইপদ হ'ব, কোনোবাই উপহাৰ হিচাবে দিয়া দাড়ি খুৰোৱাৰ পাছত ঘহা বিদেশী লোশ্বনৰ দুটামান বটল আৰু কেইটুকুৰামান তেনে বিধৰ চাবোন, যাক তেওঁ কোনো দিন ব্যৱহাৰ কৰাৰ কথা নাভাবিলে। টকা-পইচা আৰু বিষয়-সম্পত্তি সম্পৰ্কীয় কথাবোৰ তেওঁ চিন্তনীয় কথা বুলি কোনোদিনেই অনুভৱ নকৰিলে। বাহ্যিক জগতখনৰপৰা বহু আঁতৰত, নিজৰ চিন্তা-ভাবনাৰ জগতখনত একান্ত মনে বিচৰণ কৰি ফুৰা এইগৰাকী ব্যক্তিয়ে কেনেদৰে জীৱন-নিৰ্বাহ কৰিব পাৰিলে, সেই প্ৰশ্নৰ উত্তৰ এটাই হ'ব। সেয়া হৈছে মুনীন বৰকটকী আৰু তেওঁৰ পত্নী ৰেণুকা দেৱী বৰকটকীৰ পৰস্পৰৰ প্ৰতি থকা উচ্ছৰ্গিত সাহচৰ্য্য। স্বামী-স্ত্ৰী দুয়ো প্ৰায় দুই বিপৰীত মেৰুত অৱস্থান কৰা ব্যক্তিত্বৰ গৰাকী হ'লেও দুয়ো দুয়োৰে সম্পূৰ্তি হৈ সংসাৰখন নিয়াৰিকৈ চলাই লৈ যোৱাৰ লগতে জীৱন-কালতে দুয়ো নিজ নিজ ক্ষেত্ৰত নিজা পৰিচয়েৰে জিলিকি উঠিবলৈ সমৰ্থ হৈছিল। মীনাক্ষী বৰকটকীয়ে উপৰি উক্ত প্ৰবন্ধত লিখিছে, "If Baba managed to survive, despite his absolute inability to cope with the dull practical details of living, the

credit goes entirely to my mother. For she not only took upon herself the day-to-day management of the household, but even of Baba's affairs as well. My parents are very unlike each other – my mother is the practical, efficient doer, my father the totally impractical and absent-minded dreamer. I have often wondered how two people of such contrasting natures could have spent a lifetime together. Perhaps, it was only because they were so different that they complemented each other so beutifully, and made such an unbeatable combination."

নিজৰ মানসিক জগতখনত বিচৰণ কৰি থকা মুনীন বৰকটকী মানুহজন সকলো সময়তে অত্যন্ত গহীন-গম্ভীৰ হৈ থাকিব যেন লাগিলেও সেয়া কিন্তু সঁচা নহয়। তেওঁৰ ভাগিনীয়েক ডঃ শীলা বৰঠাকুৰে লিখিছে, "... সৰু মামা আছিল যেন হাঁহিৰ এটা বৃহৎ সঁফুৰা। ঢাকনিখন মুকলি কৰি দিলে হাঁহিবোৰ যেনি-তেনি বিয়পি পৰে। কোনেও ইয়াৰপৰা হাত সাৰিব নোৱাৰে আৰু হাঁহি হাঁহি বাগৰি পৰে। সাধাৰণ কথা এটাকে লৈ তেওঁ নিজেও স্ফূৰ্তি কৰে আৰু আনকো আনন্দ দিব পৰা এটা অতি আচৰিত শক্তি আছিল তেওঁৰ।" মীনাক্ষী বৰকটকীয়ে লিখিছে, "He also had a very good sense of humour and capacity to laugh about small and simple things. His sense of fun was as simple and innocent as a chiid's. And what is more, his jokes were, more often than not, directed at himself."

মুনীন বৰকটকীৰ বৈষয়িক ক্ষেত্ৰত থকা নিস্পৃহ অৱস্থাটো আনকি নিজৰ ৰচনা বা কিতাপ প্ৰকাশৰ ক্ষেত্ৰলৈকো প্ৰসাৰিত হৈছিল। তেওঁৰ জীৱনকালত প্ৰকাশিত একমাত্ৰ গ্ৰন্থ 'বিস্মৃত ব্যতিক্ৰম' ১৯৮৪ চনৰ প্ৰকাশন পৰিষদ পুৰস্কাৰৰ বাবে নিৰ্বাচিত হোৱাৰ পাছত 'প্ৰকাশ' আলোচনীৰ তেতিয়াৰ সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত 'তীক্ষ্ণ মানসিকতা আৰু প্ৰচুৰ সম্ভাৱনা থকা সত্বেও সাহিত্যৰচনাত আশাশুধীয়াকৈ নিজক ব্ৰতী নকৰিলে কিয়' বুলি শইকীয়াদেৱে সোধা এটা প্ৰশ্নৰ উত্তৰত মুনীন বৰকটকীয়ে কৈছিল, " ... সময়ে সময়ে আলোচনী-বাতৰিকাকতত প্ৰকাশ পোৱা লেখাবোৰকে সামৰি-সুতৰি থনে থনে গ্ৰন্থাকাৰত প্ৰকাশ কৰাৰ বাবে তেনেকৈ ব্যাকুলতাও নাই, অত্যধিক আগ্ৰহো নাই। ... কিতাপৰ আকাৰে প্ৰক্কাশ কৰিব নোৱাৰিলেও ৰচনাকাৰ্য্যৰপৰা মই তেনেকৈ একেবাৰে আঁতৰি থকা নাই । ছেগা-চোৰোকাকৈ বহুত লেখাই লিখিছো যদিও তাত ধাৰাবাহিকতা ৰক্ষা পোৱা নাই। তদুপৰি মোৰ

ভালেখিনি পাণ্ডুলিপি বেয়া আখৰৰ বাবে, প্ৰতিলিপি কৰাৰ সুচল নথকাত আৰু নিগনি-পইতাচোঁৰাৰ উপদ্ৰবত লোপ পাইছে। ... ইংৰাজীত যিটো of the making of books – কিতাপ কৰা কাৰ্য্যৰ প্ৰতি মোৰ আগ্ৰহ নাই যদিও কমিউনিকেশ্যন বা সংযোগ স্থাপনৰ বাবে গ্ৰন্থ ৰচনাৰ অত্যাৱশ্যকতা কেতিয়াও উলাই কৰিব নোৱাৰি।"

ওপৰত উল্লেখ কৰা 'বেয়া আখৰ' আৰু 'নিগনি-পইতাচোঁৰাৰ উপদ্ৰৱ' তেওঁৰ গ্ৰন্থ প্ৰকাশৰ একো একোটা অন্তৰায় বুলি কোৱা কথাখিনি আক্ষৰিক অৰ্থতে সঁচা আছিল। 'বিস্মৃত-ব্যতিক্ৰম' কিতাপ আকাৰে প্ৰকাশ পোৱাৰ নেপথ্যৰ মানুহজন যে চাৰু মহন্তদেৱ আছিল সেই কথা আগতে উল্লেখ কৰা হৈছে। মহন্তদেৱে কৈছে, "...তেখেতে লেখা প্ৰতিটো প্ৰবন্ধ মন'টাইপ কম্পজিটৰে বুজিব পৰাকৈ শুদ্ধকৈ কম্প'জ কৰিব পৰাকৈ মই নিজৰ আখৰেৰে লিখি দিবলগীয়া হৈছিল – গোট গোট আখৰেৰে। বৰকটকীৰ আখৰ বেয়া নাছিল, কিন্তু লতা-আখৰ, দুটা শাৰীৰ মাজত সুবিধাজনকভাৱে থাকিবলগীয়া ব্যৱধান নথকা বাবে, তেখেতৰ আখৰবোৰ সৰু হোৱা বাবে, প্ৰতিটো প্ৰবন্ধৰ নকল নিজ হাতে লিখি দিছিলো। মোৰ নিজৰ সময় কিছু খৰচ হৈছিল ঠিকেই, কিন্তু কম্পজিটৰে শুদ্ধকৈ কম্প'জ কৰিব পাৰিব আৰু মাজে মাজে শব্দ বা বাক্যাংশ এৰি যাব বুলি থকা ভয় মোৰ নোহোৱা হৈছিল।" সেই লেখাৰপৰাই জনা যায় যে এবাৰ ৰচনা এখনৰ দুটা শব্দই মহন্তদেৱক বিপাঙত পেলালে, কোনোপধ্যে সিহতৰ পাঠোদ্ধাৰ কৰিব নোৱাৰি তেওঁ লেখক মুনীন বৰকটকীৰ কাষত উপস্থিত হ'ল। দুয়োজনে বহুত চেষ্টাৰ পাছতো সেই পাঠোদ্ধাৰ সম্ভৱ নোহোৱা দেখি অৱশেষত বৰকটকীয়ে ক'লে, "মহন্ত, ময়ো ধৰিব পৰা পৰা নাই দেখোন। আপুনিয়েই কিবা এটা কৰি দিব আৰু।" চাৰু মহন্তদেৱে লিখিছে, "কৰি দিলো – প্ৰাসংগিকতা আৰু সৃষ্টিৰ ধাৰাত যতি নপৰাকৈ।" চাৰু মহন্তৰ দৰে এনে উছৰ্গিত ব্যক্তি সতকাই পাবলৈ টান। গতিকে বৰকটকীৰ গ্ৰন্থ-প্ৰকাশ বিষয়ক সেই কথাৰ সত্যতা উপলব্ধি কৰিব পাৰি। আৰু, 'দ্বিতীয় কাৰণটো, অৰ্থাৎ 'নিগনি-পইতাচোঁৰাৰ উপদ্ৰৱ'ৰ ঘটনা এটাও ঘটিছিল, যিটোৰ বাবে মুনীন বৰকটকীয়ে এক সাংঘাতিক মানসিক আঘাত পাইছিল। আশীৰ দশকত মুনীন বৰকটকী পৰিয়ালসহ দিল্লীত আছিল। সেই সময়ত অব্যৱহৃত হৈ থকা তেওঁৰ গুৱাহাটীৰ পঢ়া-কোঠাৰ বহুমূলীয়া কিতাপ, সযতনে সাঁচি ৰখা কাকত-আলোচনীৰ অংশবিশেষ, পাণ্ডুলিপি, চিঠি, আদি নিগনি, পইতাচোঁৰা আৰু উঁই-পৰুৱাৰ উপদ্ৰৱত সম্পূৰ্ণৰূপে নষ্ট হৈ গৈছিল। প্ৰিয় সম্পদৰাজিৰ সেই অকল্পনীয় ধ্বংসৰ দৃশ্য দেখি মুনীন বৰকটকীয়ে এনে মানসিক আঘাত পালে যে তাৰপৰা তেওঁ সম্পূৰ্ণকৈ কেতিয়াও উদ্ধাৰ নাপালে। মীনাক্ষী বৰকটকীয়ে লিখিছে, "To find

most of his life's work, and meticulously and painstackingly acquired collection of books, reduced to formless brown powder devastated Baba completely. He had absolutely nothing to show for his past and it was too late to begin all over again. From then on, his physical problems were nothing more than his way of mourning over that colossal loss."

গুৱাহাটীলৈ ঘূৰি অহাৰ পাছত মুনীন বৰকটকীয়ে পুনৰ কিছু উদ্যম ঘূৰাই পালে যদিও লাহে লাহে তেওঁৰ স্বাস্থ্য পৰি আহিল। তথাপিও বিভিন্ন শাৰীৰিক অসুবিধাৰ বাবে জিলা পুথিভঁৰাল বা সভা-সমিতিলৈ যোৱাটো দূৰৰে কথা, ঘৰতে থাকি বাতৰি-কাকত বা কিতাপ পঢ়া, ৰেডিঅ' শুনা, আদি তেওঁৰ ন্যূনতম প্ৰিয় কামখিনিও ভালদৰে কৰিব নোৱৰা হ'ল। তেনে অৱস্থাত মানসিকভাৱে তেওঁ চাৰিওফালৰ জগতখনৰপৰা বিচ্ছিন্ন হৈ পৰিল। শেষৰ ফালে কেৱল মাত্ৰ এটা খবৰৰ বাবে তেও আশাৰে বাট চাই আছিল; সেয়া আছিল তেওৰ সুযোগ্যা জীয়ৰী মীনাক্ষীয়ে অক্সফোৰ্ডত কৰি থকা গৱেষণাৰ সফল সমাপ্তিৰ খবৰ। ১৯৯২ চনত মীনাক্ষী বৰকটকীয়ে সুখ্যাতিৰে গৱেষণা সমাপ্ত কি অসমলৈ ঘূৰি আহিল। আৰু, অধীৰ আগ্ৰহেৰে বাট চাই থকা খবৰটো লাভ কৰাৰ এবছৰ পাছত ১৯৯৩ চনৰ নৱেম্বৰ মাহৰ ৬ তাৰিখে মুনীন বৰকটকীৰ মৃত্যু হ'ল।

পূৰ্বে উল্লেখ কৰা চন্দ্ৰপ্ৰসাদ শইকীয়াৰ সৈতে হোৱা সাক্ষাৎকাৰতে নিজৰ জীৱন-দৰ্শন সম্পৰ্কে মুনীন বৰকটকীয়ে কৈছে, "... মানুহৰ অক্ষম বাস্তৱতাক মই অস্বীকাৰ নকৰোঁ, কিন্তু মোৰ বাবে মানুহৰ আটাইতকৈ ডাঙৰ কথা হ'ল – মানুহে নিজক অতিক্ৰম কৰি যাব পাৰে – 'Man can transcend himself'। ইতিহাসত অনেক মহাজনে সেইদৰে উত্তৰণ সাধন কৰিছে। যিখন জগতত বাস কৰা-নকৰাটো আমাৰ ইচ্ছাধীন নহয় (অৱশ্যে আত্মহত্যাৰ কথা এৰি) সেইখন পৃথিৱীক আমাৰ বাসোপযোগী কৰি গঢ়ি তুলিব পৰাটোতে আমাৰ মনুষ্যত্বৰ সাৰ্থকতা। নিজেও শ্ৰেয়ৰ কাৰণে সাধনা কৰিম, আনকো নিজৰ পটন্তৰ আৰু সাহিত্যৰ মাধ্যমেৰে মহত্বৰ জীৱনৰ কাৰণে উদ্বুদ্ধ কৰিম – মোটামুটিকৈ এয়ে মোৰ জীৱন-দৰ্শন।" এই জীৱন-দৰ্শনত বিশ্বাসী মুনীন বৰকটকীয়ে 'অকল প্ৰেয়ই নহয়, শ্ৰেয়হে আমাৰ লক্ষ্য' বুলি স্থিৰ কৰি জীৱনটো যেনেদৰে উদযাপন কৰিলে, তেওঁৰ জীৱন-কৃতিৰ মাজত জিলিকি থকা শ্ৰেয়খিনিয়ে অসমৰ বৌদ্ধিক ইতিহাসত তেওঁক যে সদায় প্ৰাসংগিক কৰি ৰাখিব, তাত কোনো সন্দেহ নাই। ***

টোকা : (১) মুনীন বৰকটকীৰ মৃত্যুৰ পাছত ডঃ হীৰেন গোহাঁইদেৱৰ সম্পাদনাত ‘মুনীন বৰকটকী ৰচনাৱলী’ অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰি উলিয়াইছে। ইয়াৰ উপৰি মুনীন বৰকটকীৰ জীৱন আৰু কৃতিসম্পৰ্কীয় আলোচনা সম্বলিত কেইবাখনো গ্ৰন্থ প্ৰকাশ পাইছে। তেনে কেইখনমান গ্ৰন্থৰ নাম তলত উল্লেখ কৰা হ’ল।

১) বিভিন্নজনৰ দৃষ্টিত মুনীন বৰকটকী – সম্পাদক : উপেন্দ্ৰ বৰকটকী

২) প্ৰসংগ মুনীন বৰকটকী – সম্পাদক : উপেন্দ্ৰ বৰকটকী

৩) মুনীন বৰকটকী প্ৰসংগঃ সমালোচনা – নলিনীধৰ ভট্টাচাৰ্য্য

৪) প্ৰজ্ঞাধিকাৰী মুনীন বৰকটকী – নগেন শইকীয়া

টোকা : (২) প্ৰতিভাসম্পন্ন ন-লিখকৰ প্ৰতি মুনীন বৰকটকীৰ যি প্ৰেৰণাদায়ক উদাৰ মনোভাৱ আছিল তাৰে প্ৰতিফলন ঘটিছে মুনীন বৰকটকীৰ মৃত্যুৰ পাছত গঠন কৰা মুনীন বৰকটকী স্মাৰক ন্যাসৰ কৰ্মৰাজিত। ১৯৯৫ চনৰপৰা প্ৰতি বছৰে চল্লিছ বছৰৰ অনূৰ্ধ্বৰ প্ৰতিশ্ৰুতিসম্পন্ন প্ৰতিভাবান লেখক-লেখিকাক উদগনি যোগোৱাৰ উদ্দেশ্যে এই ন্যাসে মুনীন বৰকটকী সাহিত্য বঁটা আগবঢ়াই আহিছে। এতিয়ালৈ দুকুৰি ছজন প্ৰতিভাশালী লেখকক এই বঁটাৰে সন্মানিত কৰা হৈছে।

টোকা : (৩) মুনীন বৰকটকী আৰু মুনীন বৰকটকী ন্যাসৰ বিষয়ে জানিবলৈ muninbarkotoki.org নামৰ এটা ৱেবছাইট আছে। লগতে ‘ইউটিউব’ত মুনীন বৰকটকীৰ বিষয়ে ডঃ হীৰেন গোহাঁই, নীলমণি ফুকন, উপেন বৰকটকী, মীনাক্ষী বৰকটকী, আদি বহুকেইগৰাকী স্বনামধন্য ব্যক্তিৰ ব্যক্তিগত অনুভৱৰ ভিডিঅ’ আছে।

টোকা : (৪) মুনীন বৰকটকীৰ জীৱন-ভিত্তিক এখন তথ্যচিত্ৰ ‘অপ্ৰকাশৰ বেদনা - মুনীন বৰকটকীৰ পৃথিৱী’ চলচ্চিত্ৰ-নিৰ্মাতা প্ৰবীন হাজৰিকাৰ নিৰ্দেশনাত নিৰ্মাণ কৰা হৈছে। মুনীন বৰকটকী ন্যাসে প্ৰযোজনা কৰা তথ্যচিত্ৰখন ইউটিউবত ‘লিভিং ইন দ্যা মাইণ্ড – দ্যা ৱৰ্ল্ড অব মুনীন বৰকটকী’ নামত উপলব্ধ হয়।

টোকা : (৫) মুনীন বৰকটকীৰ ডায়েৰীখিনিক মূল উপজীব্যৰূপে লৈ শিশিৰ বসুমতাৰীয়ে এখন ইংৰাজী গ্ৰাফিক উপন্যাস ‘দ্যা ৰিয়েল মিষ্টাৰ বৰকটকী’ ৰচনা কৰিছে। ‘স্পিকিং টাইগাৰ’ৰদ্বাৰা প্ৰকাশিত উপন্যাসখনৰ বিষয়ে ‘দ্যা হিন্দু’ কাকতত লিখিছে, “Remember the gripping refrain from the opening pages of Ayn Rand’s *Atlas Shrugged*? Much like

John Galt, Munin Barkotoki is this elusive but encompassing figure, a name imbued with mystique through constant repetition. It wouldn't have been easy to make a literary figure's life story seem heady. But using sheer artistic flair, photographer and digital artist Shisir Basumatari tries to turn what might have been a routine biography into something of a psychological thriller in *The Real Mr Barkotoki*." ( Mihir Balantrapu ) I

***

ৰচনাখন প্ৰস্তুত কৰোঁতে ওপৰত উল্লেখ কৰা উৎসসমূহৰ সহায় লোৱা হৈছে। ইয়াৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য গ্ৰন্থ তথা ৰচনাসমূহ হৈছে –

ক) বিভিন্নজনৰ দৃষ্টিত মুনীন বৰকটকী – সম্পাদকঃ উপেন্দ্ৰ বৰকটকী

১) ভাইটিৰ বিষয়ে – সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মা

২) সৰহভাগ নীৰৱতা অলপ সৰৱতা – ডঃ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য

৩) মুনীন বৰকটকীদেৱলৈ শ্ৰদ্ধাঞ্জলি – ডঃ হীৰেন গোহাঁই

৪) এগৰাকী সৃষ্টিশীল বুদ্ধিজীৱীৰ সোঁৱৰণত – ডঃ নগেন শইকীয়া

৫) মুনীন বৰকটকীক মই যিদৰে জানো – ঈশ্বৰপ্ৰসাদ চৌধুৰী

৬) মুনীন বৰকটকী মানুহজন – হিৰন্ময়ী দেৱী

৭) নীৰৱ সাহিত্য-সাধক মুনীন বৰকটকী – বীৰেন্দ্ৰকুমাৰ লহকৰ

৮) সৰু মামা মুনীন বৰুটকী – ডঃ শীলা বৰঠাকুৰ

৯) মহানাগৰিক মুনীন বৰকটকী – অজিতকুমাৰ শৰ্মা

১০) মুনীন বৰকটকী : সমালোচনামূলক সাংবাদিকতা – ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী

১১) মুনীন বৰকটকীৰ 'বিস্মৃত ব্যতিক্ৰম' – উপেন্দ্ৰ নাথ শৰ্মা

১২) বৰকটকী : এক অনন্য প্ৰতিভা – চাৰু মহন্ত

১৩) মুনীন বৰকটকী : অসামান্য সাংবাদিক – ৰাধিকামোহন ভাগৱতী

১৪) ব্যতিক্ৰমী ব্যক্তি মুনীন বৰকটকী – ডঃ শিৱনাথ বৰ্মন

১৫) A Tribute to Munin borkaotoki : Maheswar Neog

১৬) In Memory of a cultured Man : Sheelabhadra

১৭) Some Memories of my friend, Munin : Krishna Bhuyan

১৮) From One Solitude To Another : Meenaxi Barkotoki

খ) প্ৰজ্ঞাধিকাৰী মুনীন বৰকটকী – নগেন শইকীয়া

***

লেখকৰ ম'বাইল - ৯৪৩৫০১৭২৩৩